# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 08-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশন কাইলৈ অনুষ্ঠিত হ'ব। বিধানসভাৰ বিশেষ অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰৰ নাম ড০ ভূপেন হাজৰিকা নামেৰে নামকৰণ সম্পৰ্কত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। এই অধিবেশনতে ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণৰো সম্ভাৱনা আছে। ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীগোটৰ বৈঠকৰ সিদ্ধান্ত অনুসৰি সদনে এই প্ৰস্তাৱ গ্ৰহণ কৰিব। শেহতীয়াকৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰা গৌৰৱ গগৈয়ে বিধানসভাৰ বিশেষ অধিবেশনৰ প্ৰৱেশ পত্ৰ বিচাৰি বিধানসভাৰ অধ্যক্ষক আবেদন জনাইছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীৰ আবেদনৰ ভিত্তিত অধ্যক্ষগৰাকীয়ে প্ৰৱেশ পত্ৰ প্ৰদান কৰিছে। অধ্যক্ষৰ গেলাৰীৰ পৰা গৌৰৱ গগৈয়ে দৰ্শক হিচাপে বিধানসভাৰ কাৰ্যক্ৰমণিকা চাব পাৰিব।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিত্ত আৰু কৃষি বিভাগৰ সৈতে বৈঠকত মিলিত হৈ তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰে। ড০ শৰ্মাই এই বৈঠকত ২০২৫-২৬ বৰ্ষত ৰাজ্যসমূহলৈ মূলধনী বিনিয়োগৰ ক্ষেত্ৰত বিশেষ সাহায্য আঁচনিৰ অগ্ৰগতি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। আলোচনা কালত চৰকাৰৰ বিভিন্ন বিভাগৰ মাজত সমন্বয় সাধন কৰি জনসাধাৰণক নিৰ্দ্ধাৰিত সময়ত স্বচ্ছ আৰু নিকা ৰূপত আঁচনি ৰূপায়ণত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকখনত অসম আৰক্ষীৰ পদোন্নতি সম্পৰ্কীয় বিষয়ো আলোচনা কৰা হয়। তেওঁ যোগান শৃংখলা শক্তিশালী কৰি কৃষকসকলৰ উপাৰ্জন বৃদ্ধি আৰু স্বনিৰ্ভৰশীলতা অৰ্জনৰ ক্ষেত্ৰতো গুৰুত্ব দিয়ে। মুখ্যমন্ত্ৰী এখন জিলা এবিধ সামগ্ৰী আৰ্হিক জনপ্ৰিয় কৰি বজাৰসমূহৰ মাজত উন্নত যোগাযোগ ব্যৱস্থা গঢ়ি তুলিবলৈও বিষয়াসকলক পৰামৰ্শ দিয়ে।

০০০০

ৰাজ্যসভাৰ খালী হোৱা অসমৰ আসন দুখনৰ নিৰ্বাচনৰ বাবে ৰাজ্যৰ বিৰোধী দল তথা কংগ্ৰেছে প্ৰাৰ্থিত্ব আগ নবঢ়ায়। বিৰোধীৰ পক্ষত নিৰ্বাচনত জয়ী হ'ব পৰাকৈ বিধায়ক নাই বাবেই ৰাজ্যসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে বুলি কংগ্ৰেছ দলটোৱে প্ৰকাশ কৰিছে। বিৰোধীয়ে নিৰ্বাচনত প্ৰাৰ্থিত্ব আগ নবঢ়োৱাৰ সিদ্ধান্তই শাসকীয় মিত্ৰজোঁটৰ দুয়োগৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাতো স্পষ্ট কৰিলে। আসন দুখনৰ নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিন। কাইলৈ আবেলি ৩ বজাৰ পূৰ্বে প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব। ইতিমধ্যে বিজেপিয়ে কনাড পুৰকায়স্থ আৰু অগপই বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

০০০০

আকাশবাণীয়ে আজি ৯০ বছৰ সম্পূৰ্ণ কৰিছে। ১৯৩৬ চনৰ আজিৰ তাৰিখতে ইণ্ডিয়ান ষ্টেট ব্ৰডকাষ্টিং ছাৰ্ভিচক অল ইণ্ডিয়া ৰেডিঅ' নামেৰে আৰু স্বাধীনতাৰ পৰৱৰ্ত্তী সময়ত ১৯৫৬ চনত ইয়াক আকাশবাণী নামেৰে নামকৰণ কৰা হৈছিল। এই ঐতিহাসিক দিনটোৱে কেইবা প্ৰজন্মৰ ধাৰাবাহিকতা ৰক্ষা কৰা এটা শ্ৰব্য মাধ্যমৰ জনপ্ৰিয়তা আৰু দেশৰ সাংস্কৃতিক তথ্য আৰু সম্প্ৰচাৰৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব সম্পৰ্কে অৱলোকন কৰে।

০০০০

জলসম্পদ, তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কৌশিক ৰায়ৰ সৈতে জিলাখনৰ পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এটা অনুষ্ঠানত মৰিগাঁও জিলাৰ অংগনৱাড়ী কৰ্মীসকলক আনুষ্ঠানিকভাৱে

স্মাৰ্টফোন প্ৰদান কৰে। জিলা মহিলা আৰু শিশু কল্যাণ বিভাগৰ উদ্যোগত আয়োজিত অনুষ্ঠানটোত জিলাখনৰ দুহেজাৰ ১৩৭টা অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাক পোষণ অভিযানৰ অধীনত স্মাৰ্টফোন বিতৰণ কৰা হয়। এই অনুষ্ঠানতে মন্ত্ৰী পীযূষ হাজৰিকাই কয়, যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনৰ অংগনৱাড়ী কেন্দ্ৰসমূহ আটকধুনীয়াকৈ নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অনুষ্ঠানত দুয়োগৰাকী মন্ত্ৰীয়ে অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলক অধিক দায়বদ্ধতাৰে ৰাজ্যৰ শিশু, গৰ্ভৱতী মহিলা আৰু প্ৰসূতিসকলৰ কল্যাণৰ বাবে কাম কৰি যাবলৈ আহ্বান জনায়।

০০০০

দৰং জিলা সাহিত্য সভাৰ শাখা অনুষ্ঠান মঙলদৈ সাহিত্য সভাৰ উদ্যোগত জিলা সাহিত্য সভাৰ সভাকক্ষত আজি অঞ্চলটোৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। মঙলদৈ সাহিত্য সভাৰ সভাপতি কালীন্দ্ৰ বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত সম্বৰ্দ্ধনা অনুষ্ঠানত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ষ্টাৰ বা ততোধিক নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা মুঠ ৩৫গৰাকী শিক্ষাৰ্থীক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথ, সম্পাদক মৃণাল ৰাজবংশী, শিক্ষাবিদ ড০ বুধিন চন্দ্ৰ হাজৰিকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা য়'নেস্ক ছানৰাইজ অ'পেন চতুৰ্থ সংখ্যক সদৌ অসম ৰেংকিং বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হৈছে। ডিব্ৰুগড় জিলা ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাখনত ৫০০ৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। আজি বিয়লি অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০

অসম ফুটবল সন্থাৰ উদ্যোগত আৰু ঢকুৱাখনা জিলা ক্ৰীড়া সন্থাৰ সহযোগত মাতমৰাৰ বিষ্টুৰাম দলে ক্ৰীড়া ক্ষেত্ৰত অনুষ্ঠিত অসম ৰাজ্যিক প্ৰিমিয়াৰ লীগ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত বঙাইগাঁও এফ চিয়ে প্ৰৱেশ কৰিছে। অহা ১০ জুনত অনুষ্ঠিত হ'বলগা ফাইনেল খেলখন ছয়গাঁও ফুটবল ক্লাব আৰু বঙাইগাঁও ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব। আজি অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত বঙাইগাঁও এফ চিয়ে গ্ৰীণভেলী গুৱাহাটী একাদশক ১-০ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০

সমাপ্ত